# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ১৬ জুলাই তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলীৰ চমু বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আগৰে পৰাই হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ সম্পৰ্কে বৰ্ণনা চলি আছে। হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কাল ১৩ হিজৰিৰ পৰা ২৩ হিজৰিলৈকে প্ৰায় 10½ বছৰ কাল চলিছিল। উক্ত সময় খিনিত হোৱা দিগ্বজয় সম্পৰ্কে শিবলি নুমানিয়ে লিখিছে যে হজৰত উমৰ (ৰাঃ)ৰ বিজিত অঞ্চলসমূহৰ মুঠ মাটি-কালি আছিল ২২ লাখ ৫১ হাজাৰ ৩০ বৰ্গ মাইল। এই জয় কৰা অঞ্চল সমূহৰ ভিতৰত ছিৰিয়া (শ্বাম) মিচৰ,ইৰাক,ইৰাণ, খওৱাজিস্থান,আৰমেনিয়া,আজৰবাইজান,ফাৰচ,কিৰামান,খোৰাচান আৰু মাকৰাণ আদি অঞ্চল উল্লেখ যোগ্য।

হজৰত উমৰ (ৰাঃ)য়ে নিজৰ সকলো ব্যস্ততা থকা সত্ত্বেও প্ৰত্যেক বিজয়ৰ মূহূৰ্তত মুছলমানসকলৰ মাজত উপস্থিত থাকিছিল। যদিও তেখেত (ৰাঃ)য়ে নিয়মিত যুদ্ধত অংশ গ্ৰহণ কৰা নাছিল তথাপি মদিনাৰ পৰাই মুছলমান কমাণ্ডাৰ সকলক নিৰ্দেশ দি থাকিছিল। নিতৌ তেখেত (ৰাঃ)য়ে সৈন্য সামন্তৰ লগত পত্ৰ যোগত সম্পৰ্ক ৰখা কৰিছিল আৰু মদিনাত বহিয়ে মুছলমানসকলক নিজৰ সৈন্য বিলাকক তৰতিব দিয়াৰ (যুদ্ধ শৃংখলা) শিকোৱাৰ নিৰ্দেশ দিছিল। তেওঁলোক সেই অপৰিচিত অঞ্চল সমূহৰ বিষয়ে বিৱৰণী আগবঢ়াইছিল আৰু এনেদৰে নিৰ্দেশ প্ৰেৰণ কৰিছিল যে যেনিবা হজৰত উমৰ (ৰাঃ)ৰ সন্মুখত সেই অঞ্চলসমূহৰ এটা ভৌগলিক চিত্ৰ (মানচিত্ৰ) আৰু ছবি আঁকোৱা আছে সেই অঞ্চল বিলাক হজৰত উমৰ (ৰাঃ)ৰ সন্মুখত আছে হজৰত ইমাম বুখাৰীয়ে ছহী বুখাৰীত হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে লিখিছে যে হজৰত উমৰ (ৰাঃ)য়ে কৈছে যে মই মোৰ সৈন্য সামন্ত প্ৰেৰণ কৰিয়ে মই নমাজত নিমগ্ন হওঁ। অৰ্থাৎ তেখেত (ৰাঃ)য়ে এনেকুৱা চিন্তিত থাকিছিল যে নমাজৰ মাজতও ইছলামী ফৌজৰ নিমিত্তে পৰিকল্পনা ৰচনা কৰাৰ কাম চলাই গৈছিল আৰু দোৱা কৰিছিল। এই কাৰণেই সম্ভৱত আমি সকলোতে দেখিবলৈ পাওঁ যে তেখেত (ৰাঃ)ৰ আদেশ মানিলৈ মুছলমান ফৌজে কঠিনতকৈ কঠিনতম পৰিস্থিতিৰ মাজতও আল্লাহ তা’লাৰ কৃপাত এওঁলোকে বিজয় লাভ কৰিছিল।

ছৈয়দ মীৰ মেহমুদ আহমদ চাহাবে ইৰাণ,ইৰাক বিজয় সম্পৰ্কে লিখিছে যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফৎ কালত ইৰাকী সৈন্য কমাণ্ডাৰ হজৰত খালিদ বিন অলিদে আছিল। কিন্তু এখেত (ৰাঃ)য়ে নিজৰ খিলাফতৰ শেষ সময় ছোৰাত শ্বামি সৈন্য সামন্তৰ যুদ্ধৰ ওপৰত গুৰুত্ব দি তেওঁলোকক ছিৰিয়ালৈ যোৱাৰ বাবে আদেশ দিছিল আৰু হজৰত মুছান্না বিন হাৰছাক ইৰাকৰ কমাণ্ডাৰ হিচাপে নিযুক্তি দিছিল। যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে বেমাৰত পৰি আছিল আৰু ইছলামী সেনা বাহিনীলৈ নিৰ্দেশ প্ৰেৰণ কৰোঁতে পলম হ'বলৈ লৈছিল তেতিয়া হজৰত মুছান্নায় নিজৰ সহায়ক হিচাপে এজনক নিযুক্ত কৰি থৈ আহি হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওচৰত উপস্থিত হৈছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক মতাই আনি নিৰ্দেশ দিছিল যে তেখেত (ৰাঃ)ৰ মৃত্যুৰ  পিছত মুছলমানসকলক জিহাদলৈ সাজু কৰি এটা দল যেন হজৰত মুছান্নাৰ সৈতে পঠাই দিয়া হয়। হজৰত আবু বক্কৰ (ৰাঃ)ৰ তিৰুধানৰ পিছত হজৰত উমৰ (ৰাঃ)য়ে একেৰাহে তিনি দিন লোকৰ মনোবল দৃঢ় কৰিবলৈ ভাষণ প্ৰদান কৰিছিল,কিন্তু মুছলমানসকলে ইৰাণৰ বলবীৰ্য্য  আৰু  দপদপনি চাই ভয় খাইছিল। লোকসকলৰ ধাৰণা আছিল যে ইৰাণ জয় কৰাটো হজৰত খালিদ (ৰাঃ)ৰ অবিহনে সম্ভৱ নহয় কিন্তু চতুৰ্থ দিনা খন হজৰত উমৰ (ৰাঃ)য়ে ইমানেই জোৰেৰে উৎসাহিত কৰিছিল যে মানুহৰ হৃদয় ৰজনজনাই গৈছিল আৰু সেই বুদ্ধি অনুসৰি পাঁচ হাজাৰ সৈন্যৰ এটা দল সাজু হৈ গৈছিল।

চন ১৩ হিজৰিত এখন যুদ্ধ সংগঠিত হৈছিল,যিটোক নমাৰিকৰ যুদ্ধ আৰু কছকিৰ বুলি কোৱা হয়। সেই যুদ্ধৰ কিছুমান বৰ্ণনা এনেদৰে উল্লেখ আছে যে  দৰবাৰৰ বিষয়া বৰ্গ আৰু আমিৰ উমৰা সকলৰ পাৰস্পাৰিক মতানৈক্যৰ ফলত সকলোৱে বিপদৰ চিকাৰ হৈ পৰিছিল। এনেতে ৰুস্তম নামেৰে এজন লোকৰ আৰিৰ্ভাব ঘটে। এওঁক অনতি পলমেই ইৰাণ দৰবাৰৰ ফালৰ পৰা সকলো নেতৃত্বৰ মালিক বনাই দিছিল। ৰুস্তম এজন বীৰ আৰু বিচক্ষণ বুদ্ধি সম্পন্ন লোক আছিল। এওঁ মুছলমান সকলে জয় কৰা অঞ্চল বিলাকত নিজ কৌশল আৰু কূটনীতিৰে বিদ্ৰোহৰ উদ্ভৱ কৰি দি হজৰত মুছান্নাৰ বিৰুদ্ধে সৈন্যদল প্ৰেৰণ কৰিছিল। এনে পৰিস্থিতিত হজৰত মুছান্না সৈন্যদল লৈ পিছুৱাই থকাটো ভাল হ'ব বুলি ধাৰণা কৰিছিল। সিফালে ৰুস্তমে নিজৰ চেষ্টা অব্যাহত ৰাখি এটা শক্তিশালী সৈন্যদল গঠন কৰি দুটা ভিন্ন বাটেৰে আহি মুছলমান সকলৰ লগত যুঁজ দিবলৈ যাত্ৰা কৰিছিল। ইয়াৰে এটা সৈন্য দলে জাবানৰ নেতৃত্বত কোফাৰ ওচৰতে অৱস্থিত নমাৰিক নামৰ ঠাইত আহি উপস্থিত হৈছিল আৰু বেলেগ দলটোৱে নৰ্চিৰ নেতৃত্বত থাকি কছকিৰত গৈ উপস্থিত হৈছিল। এই কছকিৰ ঠাইখন বাগদাদ চহৰ আৰু বছৰাৰ মাজতে থকা বজলা নদীৰ পশ্চিম কিনাৰত অৱস্থিত। নমাৰিকত হজৰত আবু উবেয়দা আৰু জাবানৰ সৈন্যদলৰ মাজত মুখামুখি সংঘৰ্ষত লিপ্ত হৈছিল আৰু এটা তুমুল যুদ্ধ সংগঠিত হোৱাৰ পিছত ইৰাণী সৈন্যই পৰাজয় বৰণ কৰিছিল। ইয়াতে ইছলামী চৰিত্ৰৰ  এটা উচ্চ আদৰ্শ এয়া দেখিবলৈ পোৱা যায় যে জাবান ইৰাণী সৈন্য বাহিনীৰ মাজত ৰজাৰ স্থান লাভ কৰিছিল, তেওঁ গ্ৰেপ্তাৰ হৈ পৰিছিল। কিন্তু তেওঁক গ্ৰেপ্তাৰ কৰা চিপাহী সকলে জাবানক চিনি পোৱা নাছিল।সেই সুযোগতে জাবানে মনে মনে ফিদিয়া আদায় দি মুক্তি লাভ কৰিছিল। যেতিয়া বেলেগ মুছলমান সকলে বিষয়টো গম পাইছিল তেতিয়া তেওঁলোকে আকৌ জাবানক বন্দী কৰি পেলাইছিল কিন্তু হজৰত আবু উবেয়দা (ৰাঃ)য়ে বিষয়টো মানি লোৱা নাছিল যে এজন ব্যক্তিক এবাৰ মুছলমান চিপাহীয়ে ফিদিয়া লৈ মুক্তি দিব আকৌ তাক গ্ৰেপ্তাৰ কৰি লোৱা হ'ব। মুঠতে মুছলমান সকলে যুদ্ধৰ লাভালাভ অৰ্জন কৰিবলৈও নৈতিক চৰিত্ৰ এৰি কাম কৰা নাছিল।

চন ১৩ হিজৰিত ছকাতিয়াৰ যুদ্ধ সংগঠিত হৈছিল। নমাৰিকৰ যুদ্ধত পৰাজিত হৈ ইৰাণী সৈন্যই কছকিৰৰ

ফালে পলায়ন কৰিছিল,তাত ইৰাণী কমাণ্ডাৰ নৰ্চিয়ে আগৰে পৰাই এটা সৈন্যদল লৈ মুছলমান সকলৰ মুখামুখি হ'বলৈ সাজু হৈ আছিল। ইয়াতে ছকাতিয়াৰ ময়দানত তুমুল ৰণ সংগঠিত হোৱাৰ পিছত আল্লাহ তা'লাৰ কৃপাত মুছলমান সকলে জয়লাভ কৰিছিল।

বাৰুছমাৰ যুদ্ধও ১৩ হিজৰিত সংগঠিত হৈছিল। এই ঠাইখন কছকিৰ আৰু ছকাতিয়াৰ মাজত অৱস্থিত আছিল। ইয়াতে ইৰাণী জেনেৰেল জালিনিউছৰ সৈতে যুদ্ধ সংগঠিত হৈছিল। বছৰা আৰু কোফাৰ মাজ বাটত থকা অঞ্চলটোক আৰজে ছোৱাদ বুলি কোৱা হৈছিল। বাৰুছমা আৰু বাকুছিয়াছা এই অঞ্চলৰে দুটা বসতি অঞ্চলৰ নাম। আবু উবেয়দা এই বাকুছিয়াত গৈ উপস্থিত হৈছিল আৰু সৰুকৈ লড়াই এটা হোৱাৰ পিছতেই ইৰাণী সৈন্যই পৰাজয় বৰণ কৰিছিল।

চন ১৩ হিজৰিত ফুৰাত নদীৰ পাৰত মুছলমান আৰু ইৰাণী সকলৰ মাজত এখন যুদ্ধ সংগঠিত হৈছিল। এই যুদ্ধক জিছৰৰ যুদ্ধ নামেৰে জনা যায়। এই যুদ্ধত মুছলমান সকলৰ সেনা নায়ক আছিল হজৰত আবু উবেয়দা আৰু ইৰাণী সকলৰ সেনা নায়ক আছিল বহমিন জাযৱিয়াহ। মুছলমানসকলৰ সৈন্য সংখ্যা আছিল দহ হাজাৰ আৰু ইৰাণী সকলৰ সৈন্য সংখ্যা আছিল ত্ৰিশ হাজাৰ আৰু ইৰাণী সৈন্যৰ হাতত আছিল তিনি শ হাতী। ফুৰাত নদীখন দুয়ো পক্ষৰ মাজত অৱস্থিত আছিল সেয়ে দুয়ো পক্ষৰ সৈন্যই দুয়ো পাৰে যুদ্ধৰ বাবে ৰৈ আছিল। অৱশেষত দুয়ো পক্ষৰ সন্মতিক্ৰমে ফুৰাত নদীৰ ওপৰত এখন দলং সাজি উলিওৱা হৈছিল। ইয়াকেই জিছৰ পুল বুলি কোৱা হয়। সেই দলং খন সাজি উলিওৱাৰ পিছতেই হজৰত আবু উবেয়দা নদীখন পাৰ হৈ গৈ ফাৰচৰ সৈন্যৰ ওপৰত আক্ৰমণ চলাইছিল। এই আক্ৰমণত ইৰাণী সৈন্যই তিষ্টিব নোৱাৰি প্ৰথমে ছেদেলি-ভেদেলি হৈ পৰে কিন্তু যেতিয়া বহমিন জাযৱিয়াহ নিজৰ হাতী আগুৱাই লৈ আনিছিল, তেতিয়া মুছলমান সকলৰ শাৰী শৃংখলা বিনষ্ট হৈ পৰিছিল। এনেতে আবু উবায়দাৰ হাতীৰ শুঁৰডাল কাটি পেলাবলৈ আদেশ দিছিল আৰু নিজে আগুৱাই গৈ এটা হাতীৰ শুঁৰ কাটি দিয়ে। পিছত বেলেগ মুছলমান সৈন্য সকলেও এনেদৰে হাতীৰ শুঁৰ কাটি পেলাইছিল তদিও তুমুল ৰণ ঝঙ্কাৰ চলিছিল আৰু হজৰত আবু উবেয়দাৰ উপৰি আৰু ছয়জন ব্যক্তিয়ে ইছলামী সৈন্য সামন্তক পৰিচালনা কৰোঁতে এজনৰ পিছত এজনকৈ শ্বহীদ হৈ গৈছিল। আঠ নম্বৰত গৈ কমাণ্ডাৰ ভাৰ লৈছিল হজৰত মুছান্না। এখেত ইছলামী সৈন্যক আকৌ সেই ৰণ ভূমিতেই একগোটে আক্ৰমণ চলোৱাৰ বাবে সাজু কৰি তুলিছিল আৰু আক্ৰমণৰ প্ৰতুত্তৰ দিছিল। এই যুদ্ধত হজৰত মুছান্নাও আহত হৈছিল যদিও বীৰত্বৰে যুজি যুজি ফুৰাত নদী পাৰ হৈ ওভতি আহিছিল। উক্ত যুদ্ধত চাৰি হাজাৰ মুছলমান শ্বহীদ হৈছিল আৰু ক্ষতিৰ ফলস্বৰূপে মুছলমান সকলে এফালে নিৰাপদ হৈছিল কাৰণ ইৰাণী সাম্ৰাজ্যৰ কৰ্মকৰ্ত্তা সকলৰ মাজত পাৰস্পাৰিক মতানৈক্যৰ সৃষ্টি হৈ বহমিন জাযৱিয়াহ ওভতি যাব লগা হৈছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই জিছৰৰ যুদ্ধ সম্পৰ্কে বৰ্ণনা কৰিছে যে আটাইতকৈ ডাঙৰ আৰু ভয়ানক পৰাজয় মুছলমান সকলে এই জিছৰৰ যুদ্ধত বৰণ কৰিব লগা হৈছিল। মুছলমান সকলৰ ক্ষতিৰ পৰিমান ইমানেই বিপদজ্জনক হৈ পৰিছিল যে মদিনালৈকে কপি উঠিছিল। হজৰত উমৰ (ৰাঃ)য়ে মদিনা বাসীক একগোট কৰি কৈছিল যে এতিয়া মদিনা আৰু ইৰাণৰ মাজত কোনো ৰোধক নাই। মদিনা সম্পূৰ্ণ ভাৱে আৱৰণ হীন হৈ পৰিছে আৰু সম্ভৱত কেইদিনমানৰ ভিতৰত শত্ৰু আহি ইয়াত প্ৰৱেশ কৰিব। গতিকে মই নিজে কমাণ্ডাৰ হৈ যাব বিচাৰো। বাকী সকলোৱে এই উপায়টো পছন্দ কৰে যদিও হজৰত আলি (ৰাঃ)য়ে কয় যে খোদা নকৰক আপোনাৰ যদি কিবা হৈ যায় তেন্তে মুছলমান সকলে ছেদেলি-ভেদেলি হৈ পৰিব আৰু তেওঁলোকৰ মনোবল ভাঙি পৰিব। গতিকে অইন কাৰোবাক পঠোৱা উচিত হ'ব, আপুনি নিজে নাযাব। এই পৰামৰ্শ মতে হজৰত উমৰ (ৰাঃ)য়ে

হজৰত ছাআদক  যিজনে তেতিয়া ছিৰিয়াত ৰোমিও সকলৰ লগত যুদ্ধত লিপ্ত আছিল, লিখি পঠোৱাইছিল যে তুমি যিমান খিনি সৈন্য মদিনালৈ পঠোৱাব পাৰা পঠাই দিয়া কাৰণ মদিনা বৰ্তমানে সম্পূৰ্ণ ভাৱে বিপদাপন্ন হৈ পৰিছে।যদি শত্ৰুক অনতিপলমে প্ৰতিৰোধ কৰা নহয় তেন্তে তেওঁলোকে মদিনা দখল কৰি পেলাব।

হজৰত উমৰ (ৰাঃ)ৰ স্মৃতিচাৰণ আগলৈ জাৰি থাকিব বুলি কোৱাৰ পিছত খোতবাৰ দ্বিতীয় অংশত হুজুৰ (আইঃ)য়ে তলত উল্লেখিত মৰহুমিন সকলৰ চমু পৰিচয় আৰু নমাজে জানাজা গায়েব পঢ়া হ'ব বুলি ঘোষণা কৰে।

মকৰম ফতেহি আব্দুছ ছালাম মোবাৰক চাহাব (মিচৰ) যোৱা কেইদিনমান আগত ৭৫ বছৰ বয়সত মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুমৰ দেউতাকে হজৰত খোৱাজা বাহাউদ্দিনৰ মুৰিদ আছিল অৰ্থাৎ নক্সাবন্ধী পন্থী লোক আছিল যিজনে ৮৮ বছৰ বয়সত  আল্লাহৰ কৃপাত বয়াত কৰাৰ তৌফিক লাভ কৰিছিল। ফতেহি চাহাব দহ বছৰ বয়সতে  কোৰ-আন হিফজ (মুখস্থ) কৰিছিল। আকৌ কাহিৰা ইউনিভাৰছিটিৰ পৰা ইঞ্জিনিয়াৰিং ডিগ্ৰী লৈছিল। ১৯৯৮ চনত মকৰম মোস্তফা ছাবিত চাহাবৰ জৰিয়তে আহমদীয়তৰ শিক্ষাৰ সৈতে পৰিচয় লাভ কৰিছিল। গভীৰ চিন্তা-ভাৱনা কৰি আৰু কিতাপ পত্ৰ পঢ়ি দোৱা কৰি অৱশেষত ২০০১ চনত হুজুৰ (আঃ)ক ইমাম মাহদী হিচাপে মানি লোৱাৰ সৌভাগ্য লভিছিল। ফতেহি চাহাবে বহুতো  শিক্ষাগত সেৱা আগবঢ়োৱাৰ তৌফিক লাভ কৰিছিল। কিতাপৰ অনুবাদ কৰিছিল, এম,টি.এ আৰবীয়াৰ প্ৰোগ্ৰামত অংশ গ্ৰহণ কৰিছিল। স্থানীয় জমাতত এক দীঘলীয়া সময় ধৰি তবলিগৰ চেক্ৰেটাৰী আছিল। হজৰত মছীহ মাওউদ (আঃ),খিলাফতে আহমদীয়া আৰু কাদিয়ান দাৰুল আমানৰ প্ৰতি গভীৰ প্ৰেম ৰাখিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে  হজৰত মছীহ মাওউদ (আঃ)ৰ এটা ইলহাম হৈছিল যে **ইয়াদয়ুনা লাকা ইব্দালুশ্শ্বাম ওৱা ইবাদিল্লাহি মিনাল আৰব** অৰ্থাৎ তোমাৰ বাবে আবদালে শ্বাম (শ্বামৰ আউলিয়া) দোৱা কৰে আৰু খোদা তা'লাৰ ভৃত্য সকলে আৰবৰ পৰা দোৱা কৰে। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে  খোদা তা'লা জানে এই বিষয়টো কি আৰু কেনেকৈ আৰু কেতিয়া ইয়াৰ প্ৰকাশ ঘটিব।(ওৱাল্লাহু আলামু বিছছাৱাব) হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে  আমি দেখি আছো যে আল্লাহৰ কৃপাত আৰবৰ যতেই জমাত প্ৰতিষ্ঠা হৈ আছে তাতেই ফতেহি চাহাবৰ দৰে মুখলিচৰ জন্ম হৈ আছে।

ইয়াৰ পিছত আছে মকৰমা ৰেজিয়া বেগম চাহিবা পত্নী খলিল মোবাশ্বিৰ আহমদ চাহাব প্ৰাক্তন মোবাল্লিগ ইনচাৰ্জ কানাডা আৰু ছেৰালিউন। আন এজনী মৰহুমা মকৰমা ছায়েৰা চুলতান চাহিবা পত্নী ডক্টৰ চুলতান মোবাশ্বিৰ চাহাব, মকৰমা গছৱানুল মুৱাজমানি চাহিবা ছিৰিয়াৰ আদি সকলোৰে চমু বৰ্ণনা আগবঢ়াই হুজুৰ (আইঃ)য়ে মৰহুমিন সকলৰ বাবে দোৱায়ে মাগফিৰাতৰ সৈতে উচ্চ মৰ্যাদা প্ৰাপ্তিৰ কামনা কৰে। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَآ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ. عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**